**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। অসমে ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ মেগাৱাট নিকা শক্তি উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে বুলি দক্ষিণ কোৰিয়াৰ মন্ত্ৰীক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। বেংগালুৰুত বিনিয়োগকাৰী সন্মিলনত অংশ লৈ মন্ত্ৰী অশোক সিংহলৰ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে শীৰ্ষ ব্যৱসায়ীসকলক আমন্ত্ৰণ।
৩। ফেডাৰেটেড ষ্টেট্‌ছ্ অব্ মাইক্ৰ'নেছিয়াৰ ৰাষ্ট্ৰপতিৰ সন্মুখত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ বড়ো জনগোষ্ঠীৰ হস্ততাঁত শিল্পৰ প্ৰশংসা।
৪। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সোণাপুৰত আৰক্ষীৰ অভিযানত প্ৰায় ৩ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ।

*আৰু*

৫। কলকাতাৰ ইডেন গাৰ্ডেনছত আজি পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

অসমে ২০৩০ চনৰ ভিতৰত ৩ হাজাৰ মেগাৱাট নিকা শক্তি উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰিছে। দক্ষিণ কোৰিয়া ভ্ৰমণৰ কালি অন্তিম দিনা ছিউলত দেশখনৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা ষ্টাৰ্ট আপ মন্ত্ৰী ইয়ং জুক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে দক্ষিণ কোৰিয়াৰ সৈতে পাৰস্পৰিক সম্পৰ্ক বৃদ্ধিৰ বিভিন্ন দিশ আৰু অসম তথা কোৰিয়াৰ ষ্টাৰ্ট আপ গোটসমূহৰ মাজত সহযোগিতাৰ বিষয় লৈ আলোচনা কৰে। পাছত তেওঁ দক্ষিণ কোৰিয়াৰ চিলিকন ভেলী হিচাপে খ্যাত পাংগিঅ' ষ্টাৰ্ট আপ চৌহদো পৰিদৰ্শন কৰে। ড° শৰ্মাই লগতে ছেমি কণ্ডাক্টৰ আৰু এল ই ডি প্ৰযুক্তিৰ সৈতে জড়িত প্ৰতিষ্ঠান ছিউল ভিঅ'চিচৰ মুখ্য কাৰ্যবাহী বিষয়া লি ইয়ং জোকক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ নতুনকৈ গঢ়ি উঠা ছেমি কণ্ডাক্টৰ খণ্ডত যোগদান কৰিবলৈ আহ্বান জনায়। দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি জাপানলৈ ৰাওনা হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে তেওঁৰ কোৰিয়া ভ্ৰমণ ফলপ্ৰসূ আছিল বুলি প্ৰকাশ কৰিছে। জাপান ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত উদ্যোগ জগতৰ কাণ্ডাৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে কালি বেংগালুৰুত এখন বিনিয়োগকাৰী সন্মিলনত অংশগ্ৰহণ কৰি অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে শীৰ্ষ ব্যৱসায়িকসকলক আমন্ত্ৰণ জনায়। এই সন্মিলনত মন্ত্ৰী সিংহলে ২০০তকৈও অধিক

বিনিয়োগকাৰী, ব্যৱসায়িক নেতা, নীতি প্ৰণেতা আৰু ঔদ্যোগিক বিশেষজ্ঞৰ সৈতে ৰাজ্যখনৰ সাম্প্ৰতিক ব্যৱসায়ৰ অনুকুল পৰিৱেশ সম্পৰ্কে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে অসম দক্ষিণ আৰু দক্ষিণপূব এছিয়াৰ প্ৰৱেশদ্বাৰ স্বৰূপ হোৱা হেতুকে বিনিয়োগৰ ক্ষেত্ৰত কৌশলগত স্থান বুলি তেওঁলোকক অৱগত কৰে। তেওঁ লগতে ৰাজ্যখনক অৰ্থনৈতিক উন্নয়নৰ শক্তিৰ ভঁৰাল বুলিও অভিহিত কৰে। তেওঁ কয়, যে অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ২০১৩-১৪ বৰ্ষৰ ২৯ বিলিয়নৰ ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে আৰু পৰৱৰ্তী বৰ্ষত এই পৰিমাণ ৮৫ দশমিক ৮ বিলিয়ন ডলাৰ হোৱাৰ সম্ভাৱনা আছে। আন্তঃগাথনি, উৎপাদন, নৱীকৰণযোগ্য শক্তি আৰু মানৱ সম্পদৰ উন্নয়নৰ ক্ষেত্ৰত পৰিৱৰ্তনশীল বিনিয়োগৰ দ্বাৰা পৰিচালিত অসমৰ বিকাশৰ দৃষ্টিভংগী সন্দৰ্ভত তেওঁ গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে ছেমিকণ্ডাক্টৰ প্ৰকল্প আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড কৰিড'ৰকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কথা উল্লেখ কৰে। মন্ত্ৰী শ্ৰীসিংহলে আমাৰ ৰাজ্যখনৰ প্ৰাকৃতিক ঐতিহ্য, ৭ খনকৈ ৰাষ্ট্ৰীয় উদ্যান আৰু তিনিটাকৈ ইউনেস্কোৰ স্বীকৃতিপ্ৰাপ্ত বিশ্ব ঐতিহ্যক্ষেত্ৰই সমৃদ্ধ কৰা বহনক্ষম পৰ্যটনৰ প্ৰতি দায়বদ্ধতাৰ কথাও ভাষণত উল্লেখ কৰে। তেওঁ লগতে চৰকাৰে বিনিয়োগকাৰীসকলক বিনিয়োগৰ বাবে সূচল পৰিৱেশ দিবলৈ সৰ্বতোপ্ৰকাৰে ব্যৱস্থা লৈছে বুলি উল্লেখ কৰে।

০০০০০০

পশ্চিম প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰ ফেডাৰেটেড ষ্টেট্‌ছ অৱ্‌ মাইক্ৰ'নেছিয়া চমুকৈ এফ এছ এম ভ্ৰমণৰত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই গণৰাজ্যখনৰ ৰাষ্ট্ৰপতিয়ে আয়োজন কৰা অভ্যৰ্থনাত অংশ লৈ অসমৰ বড়ো জনগোষ্ঠীৰ হস্ততাঁত শিল্পৰ বিষয়ে উল্লেখ কৰে। কেন্দ্ৰীয় হস্ততাঁত বস্ত্ৰ দপ্তৰৰো ৰাজ্যমন্ত্ৰীগৰাকীয়ে বড়ো জনগোষ্ঠীৰ আৰ'নাইখনৰ ঐতিহ্যৰ বিষয়ে তেওঁলোকক অৱগত কৰে।

**ৰাইট**

ইয়াৰ আগেয়ে মন্ত্ৰীগৰাকীয়ে এফ এছ এমৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ লগতে দেশখনৰ কেবিনেট মন্ত্ৰীসকলৰ লগত আলোচনাত মিলিত হৈ ভাৰতবৰ্ষৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ বিভিন্ন পন্থা সম্পৰ্কে আলোচনা কৰে। বিশাল জলকালিৰ এই গুৰুত্বপূৰ্ণ দেশখনে ভাৰতৰ ইতিহাস আৰু ঐতিহ্যৰ প্ৰতি প্ৰদৰ্শন কৰা সন্মান আৰু শ্ৰদ্ধাৰ বাবে তেওঁ সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০

অসমৰ চাহ বাগিচা অঞ্চলত স্বাস্থ্যসেৱাৰ উন্নয়নৰ বাবে আজি ৩৫৪ খন চাহ বাগিচা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীতকৰণৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ'ব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু চাহ জনজাতি কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই চাহ বাগিচাৰ কৰ্তৃপক্ষৰ সৈতে আজি বিয়লি দিছপুৰত এই চুক্তি স্বাক্ষৰ কৰিব। এই স্বাস্থ্য প্ৰতিষ্ঠানসমূহত পৰ্যাপ্ত ঔষধ, ৰোগ চিনাক্তকৰণৰ সা-সুবিধাৰ লগতে অন্যান্য প্ৰয়োজনীয় ব্যৱস্থাসমূহ ৰখা হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত সামূহিক স্বাস্থ্য বিষয়াসকলে চাহ বাগিচা চিকিৎসালয়ৰ চিকিৎসা বিষয়াসকলৰ সহযোগত সেই অঞ্চলৰ বাসিন্দাসকলক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ ব্যৱস্থা কৰিব।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সোণাপুৰৰ বেকাৰডোবাত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই প্ৰায় ৩ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে এগৰাকী মহিলাক আটক কৰে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে যোৱানিশা গাঁওখনৰ নুৰ ইছলাম নামৰ লোকজনৰ ঘৰত চলোৱা

অভিযানত আৰক্ষীয়ে বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰে। এই অভিযানৰ দায়িত্বত থকা হাটশিঙিমাৰীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাসে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয় -------- **ৰাইট**

০০০০০০

চলিত বৰ্ষৰ দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ আজি অন্তিম দিন। কাৰ্যসূচীৰ দ্বিতীয় দিনা কালি ৰাজ্যৰ ৫ হাজাৰ ৩৬০ খন বিদ্যালয়ৰ ৪ লাখ ৭৪ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিষয়ে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি **গুৱাহাটী**ৰ কাহিলীপাৰাৰ ফাগুনা ৰাভা উচ্চ মাধ্যমিক বিদ্যালয় আৰু লক্ষ্মীনাথ বেজবৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়। **চিৰাং** জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই কালি জিলাখনৰ বড়োবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বড়োবজাৰ কস্তুৰবা বালিকা বিদ্যালয় আৰু চাৰাগাঁও মজলীয়া বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে **ধুবুৰী** জিলাৰ মাজপাৰা প্ৰাথমিক বিদ্যালয় আৰু পি এম শ্ৰী বি চি মেম'ৰিয়েল ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচী পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে বিদ্যালয়ৰ মধ্যাহ্ন ভোজনতো অংশ লয়। মন্ত্ৰী অতুল বৰাই কালি গুৱাহাটীৰ দুখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ বহিঃমূল্যায়নত অংশ লয়। একেদৰে মন্ত্ৰী নন্দিতা গাৰ্লোছাই পশ্চিম কাৰ্বি আংলং জিলাত ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন কৰে। মন্ত্ৰী ৰূপেশ গোৱালাই কালি গোলাঘাট জিলাত দিৰিং বাগিচা প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ মূল্যায়ন কৰা হৈছে।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অসমৰ কেইবাগৰাকীও সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰিছে। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত যোৱা ৩০ জনীয়া বৈষ্ণৱ সাংস্কৃতিক দলটোৱে প্ৰয়াগৰাজৰ প্ৰাগজ্যোতিষ ক্ষেত্ৰত নিৰ্মাণ কৰা নামঘৰৰ গুৰু আসনত মাজুলীৰ পৰা নিয়া ভাগৱত স্থাপন কৰে। ভকত-বৈষ্ণৱৰ নাম প্ৰসংগ, গায়ন-বায়ন, খোল-তালৰ ধবনিৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অহা ২৯ জানুৱাৰীত মাজুলীৰ আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীৰ নেতৃত্বত সত্ৰখনৰ ৪০ গৰাকী বৈষ্ণৱে কুম্ভমেলালৈ যাত্ৰা কৰিব। দলটোৱে শ্ৰীমন্ত শংকৰদেৱৰ অমৰসৃষ্টি **ৰাম বিজয়** নাট পৰিৱেশন কৰিব।

০০০০০০

নুমলীগড় তিনিআলিৰ পৰা নুমলীগড় শোধনাগাৰ সংযোগী ৩৯ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে আজিৰে পৰা অহা ৩ দিনৰ বাবে দৈনিক ছঘণ্টা গধুৰ যান-বাহন, ট্ৰাক, বাছ আদিৰ চলাচল বন্ধ থাকিব। পুৱা ৪ বজাৰ পৰা ১০ বজালৈ নুমলীগড় জাহাজ ঘাটৰ পৰা এন আৰ এললৈ বৃহৎ আকাৰৰ যন্ত্ৰ কঢ়িয়াই অনাৰ সময়ত হ'ব পৰা যান-জঁট আৰু জনসাধাৰণৰ অসুবিধাৰ প্ৰতি দৃষ্টি ৰাখি এই পথছোৱা বন্ধ ৰখা হ'ব। গোলাঘাট জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষে এন আৰ এল কৰ্তৃপক্ষই এই কথা ঘোষণা কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিকল্প পথ হিচাপে গধূৰ যান-বাহনসমূহে গোলাঘাটৰ পৰা ধোদৰ আলি আৰু দেৰগাঁও হৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰ কৰিব পাৰিব।

০০০০০০

সংযুক্ত টাই জনগোষ্ঠীয় সামাজিক-সাংস্কৃতিক সংঘৰ উদ্যোগত দুলীয়াজান সমষ্টি আৰু টেঙাখাতবাসী ৰাইজৰ সহযোগত কালিৰে পৰা তৃতীয় টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত হৈছে। বহিঃৰাষ্ট্ৰ থাইলেণ্ড, ম্যানমাৰৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ টাই জনগোষ্ঠীৰ প্ৰতিনিধি আৰু ৰাজ্যৰ বিভিন্ন অঞ্চলত বসবাস কৰা অঞ্চলটোৰ প্ৰতিনিধিসকলে এই অনুষ্ঠানত অংশ লৈছে। কালি পুৱা মহোৎসৱৰ তোৰণ উদ্বোধনেৰে কাৰ্যসুচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত টাই আহোম জাতীয় সংগীত পৰিৱেশন কৰাৰ লগতে ম্যানমাৰ আৰু থাইলেণ্ডৰ প্ৰতিনিধিসকলে নিজৰ লোক সংগীত পৰিৱেশন কৰে। কালিৰ অনুষ্ঠানতে টাই-আহোম শিল্পী জীৱেশ্বৰ মহনে মহোৎসৱৰ শীৰ্ষ গীতটি উন্মোচন কৰে।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ উত্তৰ-পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত যোৱা ১৭ জানুৱাৰীৰ পৰা গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত অনুষ্ঠিত শিল্পগ্ৰাম মহোৎসৱৰ কালি সামৰণি পৰে। কালি সামৰণি অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অংশ হিচাপে কালাৰ্ছ অৱ্ ইণ্ডিয়া শীৰ্ষক বাৰে ৰহণীয়া লোক পৰম্পৰাগত নৃত্য-গীতৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে মহোৎসৱৰ পাঁচোটা দিনৰ কাৰ্যসূচীত পৰম্পৰাগত আৰু শাস্ত্ৰীয় সংগীত-নৃত্যৰ সমাহাৰ হয়। এই অনুষ্ঠানত অসমৰ লগতে উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্য আৰু দেশৰ আন ১৪ খন ৰাজ্যৰ লোকসাংস্কৃতিক দলৰ শিল্পীয়ে অনুষ্ঠান পৰিৱেশন কৰে।

oooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে শপত লৈয়ে ড'নাল্ড ট্ৰাম্পে স্বাক্ষৰ কৰা এক ডজন এক্সেকিউটিব অৰ্ডাৰে বিশ্বজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে ভাৰতকে ব্ৰিকছ্ ৰাষ্ট্ৰসমূহক মুকলিকৈ ভাবুকি দিয়াৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

ট্ৰাম্পৰ ঘোষণাৰ পাছতেই এটা দিনতেই বিনিয়োগকাৰীয়ে ৫ লাখ কোটি টকা হেৰুওৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যত বিদ্যুতৰ মাচুল বৃদ্ধিক লৈ কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। শক্তি বিভাগে তিনিটা পৰ্যায়ত মাচুল সংগ্ৰহ কৰাৰ বাবে বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত প্ৰস্তাৱ দাখিল কৰাৰ এটা গুৰুত্বপূৰ্ণ বাতৰি আমাৰ অসম কাকতে অন্যতম প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে বিদ্যুতৰ মাচুল বৃদ্ধিৰ কোনো সম্ভাৱনা নাই বুলি অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে ঘোষণা কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দক্ষিণ কোৰিয়াৰ উদ্যোগ মন্ত্ৰী ইয়ং জুৰ সৈতে বৈঠকত মিলিত হৈ দেশখনৰ সৈতে পাৰস্পৰিক সম্পৰ্ক বৃদ্ধিৰ লগতে ষ্টাৰ্টআপ গোটসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ সন্দৰ্ভত আলোচনা কৰাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতখনে শিক্ষকৰ বদলিৰ প'ৰ্টেল পুনৰ মুকলি কৰাৰ লগতে চাকৰি কৰি থকা সময়ত প্ৰাণ হেৰুওৱা ১১ গৰাকী ঠিকাভিত্তিক শিক্ষকৰ পৰিয়াললৈ ৫ লাখকৈ অৰ্থ সাহায্য প্ৰদান কৰা হ'ব বুলি শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে কৰা ঘোষণাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ওড়িশা-চত্তীশগড় সীমান্তত নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ২০ জন মাওবাদী নিহত হোৱাৰ এটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতখনে কিছুদিন পূৰ্বে ডিব্ৰুগড়ত এইচ এম পি ভি-ত এটি শিশু আক্ৰান্ত হোৱাৰ পাছত পুনৰ গুৱাহাটীত এই ভাইৰাচত এগৰাকী বয়োজ্যেষ্ঠ মহিলা আক্ৰান্ত হোৱাৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে কয়লাৰ অবৈধ খনন ঃ ধোঁৱা চাঙত বি পি কটকী আয়োগৰ প্ৰতিবেদন- এই শিৰোনামেৰে এটা বাতৰিক অন্যতম প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অসমৰ কেইবাগৰাকীও সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰাৰ বাতৰিটো দা ছেণ্টিনেল কাকতখনে Assamese Naam Prashanga Resonates in Mahakumbha শিৰোনামেৰে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাঁও।

০০০০০০

**কলকাতাৰ ইডেন গাৰ্ডেনত আজি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া পাঁচখন টি ২০ শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হব। অষ্ট্ৰেলিয়াত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী শৃংখলাত পৰাজয়ৰ পিছত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে পাঁচখন টি-২০ আৰু তিনিখন এদিনীয়া খেল খেলিব। প্ৰবীণ পেচ বলাৰ মহম্মদ শ্বামীয়ে ভাৰতীয় দললৈ দীৰ্ঘদিনৰ বিৰতিৰ পাছত এই শৃংখলাত ভাগ লব। সূৰ্য্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ২ ফেব্ৰুৱাৰীত মুম্বাইত চূড়ান্ত টি-২০ খেলত ভাগ লব। টি-২০ শৃংখলাৰ পিছত ৬ ফেব্ৰুৱাৰীৰ পৰা দুয়োখন দেশৰ মাজত এদিনীয়া শৃংখলা অনুস্থিত হব।**

০০০০০০

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থাকাৰ লগতে ঠায়ে ঠায়ে পাতলীয়াৰ পৰা মজলীয়া কুঁৱলীয়ে আৱৰি ৰাখিব বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী আৱৰি ৰাখিব যদিও দিনৰ ভাগলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৫ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি পুৱা ৯ বাজি ১৫ মিনিটৰ প্ৰভাতী তৰঙ্গ অনুষ্ঠানত **পথ সুৰক্ষা** বিষয়ক এটি বিশেষ আলোচনা প্ৰচাৰ কৰিব। এই পোনপটীয়া অনুষ্ঠানত পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাস আৰু আঞ্চলিক পৰিবহণ প্ৰাধিকৰণৰ প্ৰাক্তন সচিব দ্বীজেন দাস উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব ইন্দ্ৰজিৎ দাসে। এই অনুষ্ঠানটি আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাৰ লগতে ফেচবুক পেজতো পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০

সমাপ্ত